# নতুন পৰিচালক সকলক প্ৰশিক্ষন দিয়া নিৰ্দ্দেশাৱলী

Download Paul-Timothy studies freely from www.Paul-Timothy.net

**প্ৰশিক্ষকৰ প্ৰাৰ্থনা ঃ**

প্ৰিয় প্ৰভু, নতুন চলাওঁতাসকলক আপোনাৰ বাক্যৰ পৰা শিক্ষা দিবলৈ মোক সহায় কৰক, যাতে যেন আপুনি দিয়া জাকক লোকে আপোনাৰ পবিত্ৰ




আত্মাৰ শক্তিত পৰিচৰ্য্যা কৰিব পাৰে।
এই প্ৰাৰ্থনা আমাৰ ত্ৰানকৰ্ত্তা প্ৰভু যীচুৰ নামত খুজিছোঁ, আমেন।

**নিৰ্দ্দেশাৱলী ১ । নতুন পৰিচাৰকক তিনিটা প্ৰণালীত প্ৰশিক্ষণ দিয়ক ঃ**

আকৃতি, শিক্ষা দিয়া আৰু ক্লাচৰ শিক্ষাৰ মাজত ভাৰসাম্য ৰক্ষা কৰক।

তিনিটা প্ৰশিক্ষণ প্ৰণালীৰ মাজত এক সুস্থ ভাৰসাম্য ৰাখি নতুন পৰিচাৰক সকলক এনেদৰে প্ৰশিক্ষণ দিয়ক যেন তেওঁলোকৰ জাকবিলাক বৃদ্ধি পাই থাকে, যিদৰে যীচু আৰু তেওঁৰ পাঁচনিবিলাকে কৰিছিল।

**প্ৰথম প্ৰণালী ঃ পৰিচাৰকসকলৰ আৰ্হি কৌশল**



সপ্তাহটোত পৰিচাৰকৰ কৌশল প্ৰদৰ্শন কৰক

**দ্বিতীয় প্ৰণালী ঃ সৰু গোটবোৰক শিকাওক**



তেওঁৰ জাকে কি কৰিছে সেই কথা জানিবলৈ সৰু সৰু গোটবোৰত গোট খাওক। এতিয়া প্ৰত্যেক গোটৰ প্ৰয়োজন অনুযায়ী ঈশ্বৰৰ বাক্য ব্যৱহাৰ কৰক। পিছৰ সপ্তাহটোত কি কৰিব তাৰে আঁচনি কৰিবলৈ প্ৰশিক্ষাৰ্থী সকলক সহায় কৰক।

**তৃতীয় প্ৰণালী ঃ অলপ ডাঙৰ দলক শিক্ষা দিয়ক**



ইয়াতকৈয়ো ডাঙৰ দলবোৰত মাজে-সময়ে শিক্ষা দিয়ক

এই গোটেই কেইটা প্ৰণালী বৰ্ণনা কৰোঁ আহক !

প্ৰণালী ১ ঃ প্ৰশিক্ষণ পাই থকা সকলৰ কাৰণে পৰিচাৰকৰ কৌশল নমুনা।

যীচু আৰু তেওঁৰ পাঁচনিবিলাকে তেওঁলোকৰ শিষ্যবিলাকক শিকাওঁতে সুস্থ কৰোঁতে আৰু পৰামৰ্শ দিওঁতে যেনেদৰে তেওঁলোকৰ পৰিচাৰকৰ কৌশলৰ নমুনা আছিল, ঠিক তেনেদৰে প্ৰশিক্ষাৰ্থী সকলে নজনা যিকোনো বিষয়ৰ বাবে ৰখীয়া বিষয়ক তত্ত্বাৱধান স্পষ্টকৈ বুজাই দিয়ক।

কেৱল উপাসনাৰ সময়ত নহয়, কিন্তু সপ্তাহটোত কাম কৰা সময়তো পৰিচাৰকৰ কৌশলবোৰ বুজাই দিয়ক। প্ৰশিক্ষাৰ্থীসকলে কেতিয়াবা প্ৰশিক্ষকে নিজৰ জাকৰ তত্ত্বাৱধান লোৱা কথাও শিকিবলৈ তেওঁৰ লগত যাব পাৰে। আৰু কেতিয়াবা প্ৰশিক্ষকে প্ৰশিক্ষাৰ্থীৰ ওচৰলৈ গৈ জাকক শিকোৱাত সহায় কৰিব পাৰে।

**প্ৰণালী ২ ঃ স্থানীয় সৰু গোটবোৰক শিক্ষা দিয়ক**

প্ৰশিক্ষাৰ্থী সকলক দুইৰ পৰা পাঁচজনীয়া গোটত গোট খাবলৈ দিয়ক। তেওঁলোকৰ গোটবোৰ সৰু হোৱা প্ৰয়োজন, যাতে যেন আপুনি, প্ৰশিক্ষকে প্ৰত্যেক গৰাকী প্ৰশিক্ষাৰ্থীৰ ৰিপোৰ্টবিলাক অৰ্থাৎ কোনে কি কৰিছে আৰু তেওঁলোকৰ মণ্ডলীত বিভিন্ন প্ৰয়োজন ও সুবিধা বিলাকৰ বিষয়ে জানি-বুজি সেইমতে সহায় কৰিব পাৰে। সাধাৰণতে মাত্ৰ দুই বা তিনি গৰাকী প্ৰশিক্ষাৰ্থীয়ে শিক্ষকক লগ ধৰে।

**প্ৰণালী ৩ ঃ ডাঙৰ সভাবোৰত সকলোবোৰ মণ্ডলীতে ব্যৱহাৰ কৰা সাধাৰণ সত্যবিলাক শিকাওক।**

সম্ভৱ হলে, সকলো পৰিচাৰক সকললৈ খটাব পৰা বিষয়বোৰ শিকাবলৈ এক বিশাল অঞ্চলৰ পৰা সৰহ সংখ্যক পৰিচাৰক সকলক গোটাওক।

**আপোনাৰ আচঁনি লিখক**

অনুগ্ৰহ কৰি সহায়ৰ কাৰণে প্ৰাৰ্থনা কৰক, পিছত যীচু আৰু তেওঁৰ পাঁচনিবিলাকে কৰাৰ দৰে তিনিবিধ শিক্ষাৰ ভাৰসাম্য ৰখাৰ আপোনাৰ আঁচনিখন লিখক।

_______________________________________________________________________________

_______________________________________________________________________________

_______________________________________________________________________________

_______________________________________________________________________________

## নিৰ্দ্দেশাৱলী ২ ঃ প্ৰশিক্ষাৰ্থীৰ জাকে কি বিষয়ত পিছ পৰি আছে - এনে অধ্যয়ন লওক।

সম্ভৱ হ'লে আপোনাৰ প্ৰশিক্ষকক পৌল - তীমথিয় ব্যৱহাৰৰ কাৰণে www.Paul-Timothy.net. Click 'Download Menu' চাবলৈ কওক। আপুনি ভাল পোৱা চানেকি বাচি লওক (ওপৰৰ নিৰ্দ্দেশনা ভালদৰে পঢ়ি লওক)।

- প্ৰশিক্ষক আৰু প্ৰশিক্ষাৰ্থীয়ে সৰু গোটত লগ হৈ অধ্যয়নৰ কাৰণে Paul-Timothy User's Menu ব্যৱহাৰ কৰক।
- *Paul-Timothy User's Menu* ৰ পৰা তলত দিয়া পৰিচৰ্য্যাবোৰৰ আৰু কেইটামান অধ্যয়নৰ নমুনাৰ পৰা, যথোচিত অধ্যয়নবোৰ বাচি লৈ খটুৱাওক। বন্ধনী চিনৰ ( ) মাজত চিন দিয়ক - যি কাম-কাজ আপোনাৰ গোটৰ মাজত নাই অথবা তাত উন্নতি কৰা দৰ্কাৰ।

**Paul-Timothy User's Menu ৰ পৰা লব পৰা পৰিচৰ্য্যাবোৰ আৰু অধ্যয়নৰ নমুনাবোৰ**

| **পৰিচৰ্য্যাবোৰ**<br>(নতুন নিয়মে মণ্ডলীৰ কাম-কাজ বিচাৰে) | **নতুন পালকৰ অধ্যয়নৰ নমুনাবোৰ**<br>(প্ৰত্যেক পৰিচৰ্য্যাৰ কাৰণে দিয়া অনেক অধ্যয়নবোৰৰ এটাহে এই তালিকাখনত দিয়া আছে) |
|---|---|
| ( ) পৌল-তীমথিয় চিনা পৰিচয় | নতুন প্ৰশিক্ষকলৈ নিৰ্দ্দেশাৱলী *A0f* |
| ( ) আশ্বাস, পৰামৰ্শ, পৰিদৰ্শন | ভয় ও লাজ জয় কৰা *A2a* |
| ( ) বাইবেল পৰ্য্যালোচনা, তৰ্জ্জমা আৰু প্ৰয়োগ | সৃষ্টি তত্ত্ব আৰু আদিপুৰুষসকল *P2a* |
| ( ) মণ্ডলী স্থাপন, সৰু গোটবোৰ বৃদ্ধি কৰা | গোট আৰু নতুন মণ্ডলীবোৰ আৰম্ভ কৰা *C7a* |
| ( ) শিষ্য কৰা, যীচুৰ বাধ্য হোৱা | আমাৰ মহান ৰজা, যীচুৰ বাধ্য হোৱা *F3a* |
| ( ) শুভবাৰ্ত্তা প্ৰচাৰ কাৰ্য্য, বাপ্তিস্ম, পৰিত্ৰাণ | ক্ষমতাৰে যীচুৰ সাক্ষ্য হোৱা *P5a* |
| ( ) দিয়া, ঘৰগিৰী | বাৰ্ণববা, উদাৰ ভাবে দিয়া লোক *G1a* |
| ( ) খ্ৰীষ্টত বৃদ্ধি, স্বভাৱ ৰূপান্তৰ | ৰূপান্তৰিত আৰু স্বৰ্গীয় স্বভাৱ *C1a* |
| ( ) অতি গুৰুত্বপূৰ্ণ ঐতিহাসিক ঘটনাবোৰ | খ্ৰীষ্ট ধৰ্ম্মৰ ইতিহাস, প্ৰথম ৪০০ বছৰ *H4a1* |
| ( ) প্ৰেম, পাৰিবাৰিক জীৱন, আনৰ পৰিচৰ্য্যা, সহভাগিতা | আনক সহায় কৰাৰ যোগেদি দয়া প্ৰদৰ্শন *L4a* |
| ( ) পৰিচৰ্য্যা, বিভিন্ন সংস্কৃতিত কাম কৰা | অৱহেলিত লোকৰ মাজলৈ মিশ্যনেৰী পঠিওৱা *S2a* |
| ( ) সংগঠিত কৰা ও চলোৱা | ঈশ্বৰে দিয়া বৰেৰে পৰিচৰ্য্যা কৰা *S6a* |
| ( ) প্ৰাৰ্থনা, বিশ্বাস ও আৰোগ্যকাৰী | যীচুৰ নামত সুস্থ হোৱা *H2a* |
| ( ) বাইবেল সন্মত শিক্ষা দিয়া ও কোৱা | বাইবেলৰ মতে ল'ৰা ছোৱালীক শিকোৱা *T1a* |
| ( ) চলাওঁতাসকলক প্ৰশিক্ষন দিয়া ও শিকোৱা | যীচু আৰু পৌলৰ দৰে নতুন চলাওঁতাসকলক প্ৰশিক্ষণ দিয়া *T3a* |
| ( ) উপাসনা, প্ৰভুভোজ, বিশেষ উৎসৱ পালন | হাৰোন আৰু আন আন উপাসনা চলাওঁতা সকল *W2a* |

নতুন বিশ্বাসী সকলৰ দলত এগৰাকী ভাল প্ৰশিক্ষকে চলোৱা বৃদ্ধ সকলক নাম ও প্ৰশিক্ষণ দিয়ে। প্ৰত্যেক দলতে থকা অভাববোৰ পূৰ কৰাত তেওঁ প্ৰশিক্ষাৰ্থীসকলক সহায় কৰে (তীত ১ঃ৫)। মণ্ডলীত থকা অভাবৰ বিষয়ে জানিবলৈ, তেওঁলোকৰ গোটে কি কৰিছে আৰু এতিয়া কি কৰা হোৱা নাই সেই বিষয়ে আপোনাৰ প্ৰশিক্ষাৰ্থীৰ পৰা শুনক।



**“প্ৰশিক্ষণ দিয়া সকলক প্ৰথমে আমি প্ৰশিক্ষক সকলে অতি মনোযোগেৰে শুনা দৰ্কাৰ”।**

পৌল-তীমথিয় প্ৰশিক্ষনে পোন-পটীয়া শিক্ষা পদ্ধতি অনুসৰণ নকৰে, যিটো আটাইবোৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম বিষয়টো একেলগে আৰম্ভ কৰে, আৰু পোনপটীয়াকৈ দ্বিতীয় বিষয়টোলৈ যায়। বৰঞ্চ, আপুনি বিভিন্ন সমলবোৰৰ পৰা বৰ্ত্তমান প্ৰয়োজনত খাপ খুউৱা আন বিষয়বোৰ বাচি লব পাৰে। যীচুৱে শিক্ষক সকলক অনেক প্ৰকাৰৰ সমলবোৰ ব্যৱহাৰ কৰিবলৈ কৈছে। মথি ১৩ঃ৫২ পদত কৈছে, “...যি গৃহস্থে নিজ ভঁৰালৰ পৰা ন আৰু পুৰনি দ্ৰব্য উলিয়ায়। তেওঁৰ নিচিনা স্বৰ্গৰাজ্যৰ শিষ্য হোৱা প্ৰতিজন অধ্যাপক।”

- প্ৰত্যেক অধ্যয়নৰ লগত নতুন পালকৰ নিমিত্তে আৰু একে বিষয়ৰ আন এভাগ ল’ৰা-ছোৱালীৰ নিমিত্তে একোটা অধ্যয়ন দিয়া আছে।

**আপোনাৰ আঁচনি লিখক**

আপোনাৰ গোটক চলোৱাত তেওঁলোকক প্ৰশিক্ষন দিবলৈ, অথবা এটা নতুন গোটক চলাবলৈ আপুনি কাক শিক্ষক ৰূপে লবলৈ আঁচনি কৰিছে ?


তেওঁবিলাকৰ নিজৰ পৰিয়ালবৰ্গক চলাবলৈ আৰু তেওঁলোকে খ্ৰীষ্টলৈ আনিব খোজা সকলক জয় কৰিবলৈ আপুনি কেনেকৈ প্ৰশিক্ষন লৈ থকা সকলক সহায় কৰিব ?

যদিহে অপোনাক কোনো জনে শিকায়, তেনেহ’লে ওপৰত উল্লেখ কৰা তালিকাৰ কোনটো বিষয়ত আপুনি চিন দিছে তেওঁক জানিবলৈ দিয়ক। তেনেহলে তেওঁ আপোনাক যোগাযোগ কৰি কৰা অধ্যয়ন আৰু নিপুনতাৰ প্ৰশিক্ষন পোৱাত আপোনাক সহায় কৰিব।

আপুনি বাচি লোৱা পৰিচৰ্য্যাৰ বিষয়ৰ কোনটো সংখ্যা বুজায় ?

(অধ্যয়ন ক্ৰম সংখ্যা অধ্যয়ন পাঠৰ নামৰ পিছত দিয়া আছে।) -------------

## নিৰ্দ্দেশাৱলী ৩ ঃ শাস্ত্ৰত কোৱা দৰে শিক্ষা দিয়া কাৰ্য্যক একে গুৰুত্ব দিয়ক



প্ৰশিক্ষন কেনেকৈ দিব লাগে এই বিষয়ত যীচু আৰু পৌল আমাৰ আৰ্হি। তেওঁলোকে চলাওঁতা সকলক প্ৰশিক্ষন দিয়া নিৰ্দ্দেশাৱলী আমি অনুসৰণ কৰোঁ। তেওঁবিলাকৰ প্ৰয়োজনবোৰ শুনিবলৈ নতুন পৰিচাৰক সকলে এমাহত এবাৰ অথবা দুবাৰকৈ এজন শিক্ষকক লগ ধৰা উচিত। সেই প্ৰয়োজনবোৰ তেওঁলোকে যেন তৎক্ষনাত চাব পাৰে এই বাবে শিক্ষকে পৰিচাৰক সকলক সুসজ্জিত কৰা উচিত। জাকটো নতুন হলে, প্ৰশিক্ষাৰ্থীজনে সঘনাই শিক্ষকক লগ ধৰা উচিত।

- বিশেষকৈ নতুন পৰিচাৰকক শিক্ষা দিয়া বুজায়। পৰিপক্ক চলাওঁতা সকলে মাজে সময়ে চেমিনাৰ আদিত যোগ দি শিকিব পাৰে, অন্যথা কিবা বিষয়ে শিক্ষা জানিব লগা থাকিলে অভিজ্ঞসকলৰ পৰামৰ্শ লোৱা উচিত।
- ২ তীমথিয় ২ঃ২ পদত লিখা দৰে সাধাৰণতে এজন চলাওঁতাই নতুন জাকৰ পৰিচাৰকক শিকায়।
- শিক্ষক গৰাকী বয়োবৃদ্ধ, উচ্চ মানদণ্ডৰ অভিজ্ঞ চলাওঁতা নহলেও হয়। তেওঁ শিকোৱা জনতকৈ হয়তো এমাহ আগতে এই ক্ষেত্ৰত আগবঢ়া। এনে কৰাত সহজ হয়, কাৰণ শিক্ষকে নতুন কৰ্ম্মচাৰী বিলাকৰ দৰে একে প্ৰয়োজনীয়তাত সহজে সহানুভূতি দেখুৱাব পাৰে। এনে ক্ষেত্ৰত, শিক্ষক গৰাকীয়ে অধিক অভিজ্ঞ শিক্ষকৰ ওচৰ চপা উচিত।

পৌল-তীমথিয় অধ্যয়নক লৈ শিক্ষা দিয়া সহজ। নতুন জাকৰ প্ৰয়োজনীয়তাৰ লগত কাম কৰিবলৈ আপুনি যদি সঁজুলিবোৰৰ যোগান ধৰে, ন-শিকাৰু পৰিচাৰকে একেবাৰে নতুন পৰিচাৰকক শিক্ষা দিব পাৰে। পৌল-তীমথিয়ৰ দৰে সজুঁলিবোৰ ব্যৱহাৰ কৰক। সেই সকলো আপোনাৰ প্ৰশিক্ষাৰ্থীৰ ভাষালৈ অনুবাদ কৰি লওঁক। শিক্ষা দিয়াটো আচলতে ক্ষন্তেকীয়া। নতুন পৰিচাৰকৰ নতুন বিশ্বাসী বিলাক সৰু কেচুৱাৰ দৰে। তেওঁবিলাকক সদায় কিছুমান শিক্ষাৰ প্ৰয়োজন, যেনেকৈ নতুনকৈ জন্মা শিশুটিক অনবৰত আপদাল কৰা দৰ্কাৰ।



- নতুন চলাওঁতাবিলাকক সদ উপদেশবোৰ ভালদৰে দিবলৈ যথেষ্ট সময়ৰ দৰ্কাৰ। সেয়েহে আপুনি ডাঙৰ গোটবোৰৰ কাৰণে সময়ে সময়ে চেমিনাৰ আদি পতা উচিত। তীমথিয় ও তীতক শিক্ষা দিবলৈ পৌলৈ পিতৃত্বৰ যতনেৰে অধিক সময় লৈছিল। যেতিয়া তেওঁলোক পৰিপক্ক হল আৰু সঘনাই যত্নৰ প্ৰয়োজন নহল, অন্যক প্ৰশিক্ষন দিবলৈ তেওঁলোকক এৰি দিলে।
- পৌলৰ শিক্ষাত তীমথিয় ও তীত পৈণত হৈ, তেওঁলোকে শিক্ষা দিয়াৰ সেই ক্ৰম আগবঢ়াই নি নতুন চলাওঁতাসকলক দিলে। নতুন নিয়মে কৰিবলৈ কোৱা দৰে, নতুনকৈ জন্মা শিশুক যথেষ্ট আদৰ-যত্ন লগা দৰে, নতুন চলাওঁতা আৰু নতুন মণ্ডলীক শিক্ষাৰ প্ৰয়োজন।

**আপোনাৰ আঁচনিবোৰ লিখক**

কাক শিক্ষা দিবলৈ আপুনি আৰম্ভ কৰিব ?

________________________________________

কেতিয়া আপুনি আৰম্ভ কৰিব ? ________________________________________

## নির্দ্দেশাৱলী ৪ ঃ কোনো জনক কামৰ হিচাপ দিয়ক আৰু আনকো হিচাপ দিব পৰা ব্যৱস্থা ৰাখক

ঈশ্বৰৰ এগৰাকী পৰিচৰ্য্যাকাৰীয়ে, অন্য চলাওঁতাক তেওঁৰ কামৰ হিচাব দিয়া উচিত। আপুনি ও আন চলাওঁতাবিলাকে এজনে আনজনৰ পৰিচৰ্য্যা কাৰ্য্য পৰীক্ষা কৰা উচিত, সেয়ে নিজৰ বশত ৰাখিবলৈ নহয়, কিন্তু পৰস্পৰৰ পৰিচৰ্য্যা বৃদ্ধি কৰাত সহায়ৰ অৰ্থে কৰক।

যদিহে তেওঁবিলাকে পৰস্পৰে প্ৰেম কৰে, তেনেহলে এনে কাৰ্য্যই ইয়াত সহযোগ কৰাত অতি আনন্দ দায়ক হয়।

আপুনি কৰা কামৰ বিষয়ে জনাবলৈ আন চলাওঁতাসকলক সময়ে সময়ে লগ ধৰা উচিত। আমাৰ কামৰ বিষয়ে চলাওঁতা সকলক নজনাকৈ লোকবিলাকক চলাই নিলে সেয়ে অৱহেলা ক্ষতিকাৰক পাপ।

যিৰূচালেমৰ মান্যৱন্ত লোকবিলাকৰ আগত প্ৰথমে পৌলে তেওঁৰ প্ৰচাৰ কাৰ্য্যৰ বিষয়ে জনাইছিল (গালাতীয় ২ঃ১-২)।

পিছত, পৌল ও বাৰ্নব্বাই আন্তয়খিয়াৰ মণ্ডলীত কৰা কাৰ্য্যৰ বিৱৰণ দিছিল যিহে তেওঁলোকক জাতিবিলাকৰ মাজলৈ পঠিয়াই দিলে (পাঁচনিৰ কৰ্ম্ম ১৩ঃ১-৩ আৰু ১৪ঃ২৬-২৮)।

আপুনি ও আন চলাওঁতাসকলে পৰস্পৰে চেতনা দিয়া উচিত (কলচীয়া ৫ঃ১৬)। আন চলাওঁতাৰ পৰামৰ্শলৈ আপুনি মন দিব আৰু তেওঁলোকৰ সমালোচনা শুনিব।

এনেধৰণৰ পৰিদৰ্শন আটাইবিলাক পৰিচাৰকৰ প্ৰয়োজন, যাৰ দ্বাৰা তেওঁলোকৰ কাম-কাজ বিলাক বাইবেল সন্মত বুলি নিশ্চিত হব পাৰিব। ইয়াৰ দ্বাৰা আপোনাৰ নেতৃত্বৰ পাৰদৰ্শিতা বৃদ্ধি হোৱাত সহায় হ'ব আৰু লোকবিলাকৰ ওপৰত স্বাৰ্থজনিত, অপব্যৱহাৰ শাসনৰ পৰা বিৰত থাকিব।

### আপোনাৰ আঁচনিবোৰ লিখক

আপোনাক কোনে শিক্ষা দিব? ______________________________


প্ৰথমে আপুনি কিমান সঘনাই লগ ধৰিব? ______________________________

যদিহে আপোনাৰ কোনো শিক্ষক নাই, তেনেহ'লে পৌল-তীমথিয় ব্যৱহাৰ কৰা কোনো জনৰ লগত ব্যৱস্থা কৰক। যদিহে আপুনি এনে কোনো এজন ব্যক্তিক নাপায়, তেনেহলে অন্য লোকক শিকাবলৈ আপুনি নিজেই আৰম্ভ কৰক, যিদৰে ২ তীমথিয় ২ঃ২ পদত পৌলে তীমথিয়ক কৰিবলৈ কৈছিল।

## নিৰ্দ্দেশাৱলী ৫ ঃ বৃদ্ধিৰ অৰ্থে বাইবেল সন্মত নিৰ্দ্দেশনাবিলাক অনুসৰণ কৰক

যীচুৱে কোৱা দৰে পাঁচনিবিলাকে যতে শিষ্য কৰিছিল, তাতে মণ্ডলী বৃদ্ধি পাইছিল। আজিও ঈশ্বৰে সেই একেদৰে কৰে, যেতিয়া পৰিচাৰকে যীচুৰ আজ্ঞাৰ ভেঁটি স্থাপন কৰে। আপুনি আপোনাৰ জাকক শিকোৱা উচিত, আৰু নতুন জাকৰ নতুন চলাওঁতাক প্ৰশিক্ষন দিয়ক, যিদৰে যীচু আৰু পাঁচনিবিলাকে কৰিছিল। উদাহৰণস্বৰূপে, পৌলে তীমথিয়ক শিক্ষা দিছিল, যিজনে বিশ্বাসীসকলক, আৰু অন্যলোককো প্ৰশিক্ষন দিছিল (২ তীমথিয় ২ঃ২); ফলস্বৰূপে অনেক নতুন মণ্ডলীবিলাক হৈছিল।

প্ৰধানকৈ সদ উপদেশ দিয়াত যীচু আৰু শিষ্যবিলাকে চলাওঁতা সকলক প্ৰশিক্ষন দিছিল। মণ্ডলী নতুন লোকবিলাক বৃদ্ধি পাওঁতে চলাওঁতাক প্ৰশিক্ষন দিয়াত পৰামৰ্শ দিয়ক, কাৰণ ন শিকাৰু পৰিচাৰকে তেওঁ আৰু তেওঁৰ জাকে আৰম্ভ কৰিবলৈ সহায় কৰা লোকবিলাকৰ নতুন পৰিচাৰকসকলক প্ৰশিক্ষন দিয়ে।



নতুন পৰিচাৰকে সদুপদেশ দিয়া অভিজ্ঞ জনলৈ লক্ষ্য কৰে যিজন পৰিচাৰকৰ নিপুনতাৰ আৰ্হিস্বৰূপ আৰু তেওঁ পৰিচৰ্য্যা লোকলৈ তৎক্ষনাত ব্যৱহাৰ কৰে আৰু তেওঁৰ অনুকাৰী হয় (১ কৰিন্থীয়া ১১ঃ১)।

তেনে ধৰণৰ আঁচনিত তেওঁৰ ৰাজ্য বৃদ্ধি আৰু বাঢ়ি যোৱাত যীচুৱে গুৰুত্ব দিছিল। যদিহে ভাল মাটিত শস্য ৰোৱা হয় তেনেহলে তাত ১০০ গুন বেচি শস্য পোৱা যায় (মাৰ্ক ৪)।

প্ৰশিক্ষন প্ৰাপ্ত সকলে অতি সোনকালে নতুন পৰিচাৰক সকলক শিকোৱা আৰম্ভ কৰাত নিশ্চিত হওক। প্ৰশিক্ষনৰ লগে লগে শুভবাৰ্ত্তা প্ৰচাৰ থাকে। উৎসাহপূৰ্ণ প্ৰাৰ্থনা, শুভবাৰ্ত্তা প্ৰচাৰ ও ঈশ্বৰৰ সহায়ত, আপুনি কাম কৰা লোক ও তেওঁলোকৰ নতুন মণ্ডলীৰ সমাজক বৃদ্ধি কৰিব পাৰিব।



গ্ৰহন কৰিব পৰা লোকৰ লগত কাৰ্য্য কৰক। য'ত শুভবাৰ্ত্তাক লোকবিলাকে অগ্ৰাহ্য কৰে, যীচুৱে আজ্ঞা দিছে ‘ভৰিৰ ধূলি’ জোকাৰি পেলাবলৈ আৰু সেই ঠাই ত্যাগ কৰিবলৈ। আমাৰ থকা ঠাই সলনি কৰাটো এই কথাই নুবুজায়, কিন্তু আমাক ঈশ্বৰে প্ৰস্তুত কৰা লোকক বিচাৰিবলৈ কোৱা হৈছে। সাধাৰণতে, দৰিদ্ৰ শ্ৰেণীৰ লোকবিলাকে শুভবাৰ্ত্তা অধিককৈ গ্ৰহন কৰে।

যীচু ও শিষ্যবিলাকে শিকোৱা অতি ক্ষমতাপূৰ্ণ আৰু জাকক বৃদ্ধি কৰাত সহায় কৰে। যীচুৱে পাঁচনিবিলাকক দিয়া সত্য আৰু অভ্যাসৰ টোপোলা অতি পাতল আৰু সহজে আনক দিব পাৰে, যেনেদৰে সৰু লাঠি দৌৰত এজনে আনজনক দিয়ে।

ফলদায়ক চলাওঁতা আৰু মণ্ডলী বৃদ্ধি কৰিবলৈ ঈশ্বৰে শিক্ষক ও প্ৰশিক্ষাৰ্থীৰ মাজত যত্ন লোৱা সম্বন্ধ ব্যৱহাৰ কৰে।

এগৰাকী ভাল শিক্ষকে নতুন চলাওঁতাক তৎক্ষনাত ও সহজে অনুকৰণ কৰিব পৰা প্ৰণালীৰে প্ৰশিক্ষন দিয়ে, যাৰে তেওঁলোকে আৰু আন নতুন পৰিচাৰকক প্ৰশিক্ষন দিব পাৰে। আপুনি শিকাওঁতে অথবা কৌশলৰ নমুনা ব্যৱহাৰ কৰোঁতে, প্ৰশিক্ষাৰ্থীয়ে পাব নোৱাৰা সজুঁলিবোৰ ব্যৱহাৰ নকৰিব।

শাস্ত্ৰত শিক্ষা প্ৰদান কৰা এক ‘ক্ৰম’ আছিল অনেক যুগৰ শিক্ষকসকল, যিসকলৰ শিক্ষা লওঁতাই আনক শিক্ষা দিছিল। উদাহৰণ স্বৰূপে তলত উল্লেখ কৰা বিলাক ল'ব পাৰি।

**যিথ্ৰোৱে** মোচিক পৰামৰ্শ দিছিল,

**মোচিয়ে** যিহোচুৱা আৰু ইস্ৰায়েলৰ বৃদ্ধলোকক পৰামৰ্শ দিছিল ।আৰম্ভনিতে নতুনকৈ নামাৰকণ কৰা বৃদ্ধলোকক ব্যৱহাৰ কৰিবলৈ ঈশ্বৰে দহ আজ্ঞা দিছিল। দহ জনীয়া গোটত লোকবিলাকৰ পৰিচাৰক হৈছিল (যাত্ৰাপুস্তক ১৮-২০ অধ্যায়)

আন সৈন্য চলাওঁতাবিলাকক **যিহোচূৰাই** পৰামৰ্শ দিছিল।

**দেবৰাই** বৰাকক পৰামৰ্শ দিছিল। ফলত, বৰাকে ঈশ্বৰৰ কাৰণে এক বৃহৎ সৈন্যবাহিনীৰ ওপৰত জয়ী হল।

**এলিয়ে** চমূৱেলক পৰামৰ্শ দিছিল।

**চমূৱেলে** চৌল আৰু দায়ূদক পৰামৰ্শ দিছিল পিছত তেওঁলোক ইস্রায়েলৰ মহান ৰজা হৈছিল।

**অহীথোফল** ও নাথন ভাববাদীয়েও দায়ূদক পৰামৰ্শ দিছিল। সংযুক্ত ইস্রায়েল ৰাজ্য স্থাপন কৰিবলৈ দায়ূদে তেওঁৰ সৈন্য বাহিনীৰ অধ্যক্ষ আৰু চৰকাৰী বিষয়াসকলক পৰামৰ্শ দিছিল। দায়ূদে তেওঁৰ পুত্র চলোমনকো পৰামৰ্শ দিছিল।

**চলোমনে** চিকাৰ ৰাণীক পৰামৰ্শ দিছিল। ঈশ্বৰৰ বিধানৰ দৰে চলোমনৰ পৰা জ্ঞান হিতোপদেশৰ দৰে আহৰণ কৰি তেওঁ তেওঁৰ নিজৰ লোকবিলাকৰ গুৰিলৈ আঁতৰি গৈছিল।

**এলিয়াই** ইলীচা ভাববাদীক পৰামৰ্শ দিছিল।

**ইলীচাই** যোৰাচ ৰজাক পৰামৰ্শ দিছিল।

**দানিয়েলে** নবুখদনেজৰ ৰজাক পৰামৰ্শ দিছিল। পিছত ৰজাই ঈশ্বৰৰ আগত নিজকে নম্র কৰিলে।

**মৰ্দখয়ে** ইষ্টেৰক পৰামৰ্শ দিছিল।

**ইষ্টেৰে** ৰজা অহচ্‌বেৰোচক পৰামৰ্শ দিছিল। ইয়াৰ দ্বাৰা তেওঁ ঈশ্বৰৰ লোকবিলাকক মুক্ত কৰিলে।

**যীচুৱে** তেওঁৰ বাৰজন শিষ্যক পৰামৰ্শ দিছিল। তেওঁলোকে প্ৰথম খ্ৰীষ্টিয়ান সমাজ (মণ্ডলী) আৰম্ভ কৰিলে।

**পৌলে** তীত, তীমথিয় আৰু অনেকক পৰামৰ্শ দিছিল।

**তীমথিয়ই** ইপাফ্রা আৰু আন বিশ্বাসী লোকক পৰামৰ্শ দিছিল।

**ইপাফ্রা** আৰু আন বিশ্বাসী লোকে "অন্য লোককো" পৰামৰ্শ দিছিল (২ তীমথিয় ২ঃ২) যিহৰ ফলত অনেক নতুন মণ্ডলীবোৰ এচিয়াত স্থাপন হৈছিল।

**ফিলিপে** কূচ-দেশীয় নপুংসকক পৰামৰ্শ দিছিল। মন্ত্রীজনে খ্ৰীষ্টক গ্ৰহন কৰি বাপ্তাইজিত হৈছিল।

**প্রিস্কিলা** আৰু **আক্কিলাই** আপল্লোক পৰামৰ্শ দিছিল। ইয়াৰ যোগেদি উন্নত পৰিচৰ্য্যা আৰু নতুন জাকবোৰ হৈছিল।

## আপোনাৰ আঁচনিবোৰ লিখক

পৰম্পৰাগত ভাবে শ্রেণীত শিক্ষা দিয়াৰ বাহিৰে আপুনি যদি অন্য কোনো প্ৰণালীৰে লোকবিলাকক শিক্ষা দিয়া নাই, তেনেহলে, ক্ষন্তেক বৈ প্ৰাৰ্থনা কৰক আৰু ঈশ্বৰৰ সহায় বিচাৰক।

যদিহে আপোনাৰ যোগ্যতা অথবা আপোনাৰ কাৰ্য্য তালিকাত শিক্ষা দিয়া সময় নাই, তেনেহলে কাৰ হাতত সেই ভাৰ দিব পাৰিব, তাৰ বাবে অনুগ্ৰহ কৰি ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰক, যাতে যেন যীচু আৰু তেওঁৰ পাঁচনিবিলাকে কৰাৰ দৰে আপোনাৰ জাকে চলাওঁতাৰ প্ৰশিক্ষন বহন কৰিব পাৰিব।


২ তীমথিয় ২ঃ২ পদত কোৱা দৰে, একেজন কৰ্ম্মচাৰীয়ে প্ৰশিক্ষন লোৱা প্ৰশিক্ষাৰ্থী হ'ব পাৰে, আৰু একে সময়তে অন্য লোককো শিকাব পাৰে। এনে প্ৰকাৰৰ প্ৰশিক্ষনে আপোনাৰ জাকক আৰু নতুন জাকক দ্রুত গতিৰে নতুন চলাওঁতাবোৰ পুনৰ উৎপন্ন কৰাত সহায় কৰিব, যাতে খ্ৰীষ্টৰ হকে এক বিশাল আন্দোলন হব। আপুনি প্ৰশিক্ষন দিয়া জনে অনতিপলমে অন্যলোকক প্ৰশিক্ষন দিয়া উচিত। যদিহে আপুনি জানে, তেনেহলে তেওঁলোকে প্ৰশিক্ষন দিয়া কৰ্ম্মচাৰীসকলৰ নামবোৰ লিখক। যদিহে এতিয়াও নাজানে, তেনেহলে অনুগ্ৰহ কৰি বিচাৰি লওঁক।

---

পৰিচাৰক সকলক প্ৰশিক্ষন দিব পৰাত সহায় কৰিব পৰা প্ৰশিক্ষক সকলৰ আন নামবোৰ লিখক।

---

## নিৰ্দ্দেশাৱলী ৬ ঃ বিবাহিত চলাওঁতা সকলে তেওঁলোকৰ পত্নী আৰু ল'ৰা-ছোৱালীৰ যত্ন লওক



পৌলে সতৰ্ক কৰিছে যে যদি কোনো এজন বিশ্বাসীয়ে নিজৰ পৰিয়ালৰ চিন্তা নকৰে, তেন্তে তেওঁ বিশ্বাস অস্বীকাৰ কৰে আৰু অবিশ্বাস কৰা লোকতকৈয়ো অধম (১ তীমথিয় ৫ঃ৮)।

এগৰাকী প্ৰকৃত পালকে তেওঁৰ নিজৰ পৰিয়ালৰ নিমিত্তে যত্ন লৈহে তেওঁৰ পালকৰ কাম আৰম্ভ কৰিব।

অনেক মণ্ডলী আৰু পৰিয়ালবিলাকে কষ্ট পায়, কাৰণ কিছুমান পালকে তেওঁলোকৰ সময়ৰ অধিক ভাগ অন্যলোকৰ লগত কটায়, আৰু নিজৰ পত্নী ও ল'ৰা-ছোৱালীক অৱহেলা কৰে।

**আপোনাৰ আঁচনিবোৰ লিখক**

আপোনাৰ পত্নী আৰু ল'ৰা-ছোৱালীৰ কাৰণে আপুনি যে চিন্তা কৰে, সেই কথাত নিশ্চিত হবলৈ আপুনি কি কৰিব?

______________________________

______________________________

______________________________

______________________________

______________________________

## নিৰ্দ্দেশাৱলী ৭ ঃ ঈশ্বৰৰ বাক্যত প্ৰশিক্ষাৰ্থীসকলে 'সোণ' আৱিস্কাৰ কৰক



প্ৰতি গৰাকী পালকক কেৱল মাত্ৰ সহনীয় শুনোঁতা অথবা এজন চলাওঁতা মাথোনহে নহৈ একোজন কাৰ্য্যকৰী শিকাৰু হোৱাত সহায় কৰক। সকলো সবিশেষ শিকাবলৈ অন্যৰ বাবে ৰৈ থকাৰ পৰিবৰ্ত্তে, তেওঁৰ জাকৰ প্ৰয়োজনীয়তা আবিষ্কাৰ কৰিবলৈ দিয়ক।

ছাত্ৰ-ছাত্ৰীয়ে নিজৰ বাবে শিকাটো কেৱল নিশিকাব।

তেওঁৰ আৰু তেওঁৰ জাকে কি কৰা ঈশ্বৰৰ ইচ্ছা সেই কথা ভাবিবলৈ সহায় হবৰ নিমিত্তে প্ৰশ্ন কৰক। তেওঁৰ বাইবেলত বিষয়বোৰ বিচাৰি লবলৈ পৌল-তীমথিয় অধ্যয়নে পৰামৰ্শ দিয়ে।

## নির্দ্দেশাৱলী ৮ ঃ শিক্ষা দিয়া সময়ত ৫ টা কাম কৰক

সেই পাঁচটা বিষয়বোৰ হৈছে ঃ প্ৰাৰ্থনা, শুনা, আঁচনি, পুৰ্ননিৰীক্ষন কৰা আৰু নিৰ্দ্দেশ কৰা।

**১। প্ৰাৰ্থনা কৰক - প্ৰশিক্ষনৰ আগেয়ে, প্ৰশিক্ষনৰ সময়ত আৰু প্ৰশিক্ষনৰ পিছত।**

প্ৰশিক্ষন আৰম্ভ হোৱা আগেয়ে, উপস্থিত আটাইৰে পৰিচালনাৰ কাৰণে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰক।

প্ৰশিক্ষনৰ সময়ত, কোনো এক প্ৰশ্ন, সিদ্ধান্ত অথবা সমস্যাৰ লগত লেন-দেন কৰোঁতা যেতিয়া বিশেষ শক্তি অথবা জ্ঞানৰ প্ৰয়োজন হলে, প্ৰাৰ্থনা কৰক।

প্ৰশিক্ষনৰ অন্তত, আপোনাৰ আঁচনি কাৰ্য্যকৰী কৰিবলৈ ঈশ্বৰৰ শক্তি বিচাৰি প্ৰাৰ্থনা কৰক।

**২। প্ৰতিজন প্ৰশিক্ষন প্ৰাৰ্থীৰ কথা শুনক। তেওঁ ও তেওঁৰ জাকে কি কৰিছে সেই বিষয়ে প্ৰত্যেককে ক'বলৈ দিয়ক।**

কৃতকাৰ্য্যতা আৰু অপাৰগতা এই দুয়োৰো এক খতিয়ান দাঙি ধৰিবলৈ দিয়ক।

তেওঁ দিয়া খতিয়ান / ৰিপোৰ্টৰ লগত ইয়াৰ আগৰ প্ৰশিক্ষনৰ সময়ত কৰা আঁচনিৰ লগত ৰিজাই চাওক।

**৩। প্ৰত্যেকৰ কৰ্ম্ম ক্ষেত্ৰৰ আঁচনি কৰক।**

অহা সপ্তাহটোত অথবা মাহত তেওঁ আৰু তেওঁৰ দলে কি কৰিব তাৰ আঁচনি কৰাত প্ৰতি গৰাকী প্ৰশিক্ষাৰ্থীক সহায় কৰক।

প্ৰশিক্ষাৰ্থীয়ে দিয়া ৰিপোৰ্টৰ প্ৰয়োজন মতে কাম কৰাৰ আঁচনি কৰক।

তেওঁৰ দলৰ সৈতে কৰিবলৈ সন্মতি দিয়া প্ৰতিটো বিষয় লিখি ৰাখক।

সদায় হৈ থকা সমস্যাবোৰ লৈ অবাবত সময় নষ্ট নকৰিব। সদায় নতুন কাম-কাজৰ আঁচনি কৰক।

চয়তানে ঘটোৱা সমস্যাবোৰত সহাঁৰি দি নাচি নাথাকিব। দলে নকৰা কামবোৰ কৰাৰ আৰম্ভ কৰক, অথবা দুৰ্ব্বল কামবোৰ মজবুত কৰক। স্পষ্ট বিষয়বোৰত মনোনিবেশ কৰি দলটোক গঢ়ি তোলক।



**"মোৰ সুৰৰ তালে তালে নাচি থাকক !"**

উনুকিয়াবলৈ প্ৰশিক্ষাৰ্থী ও প্ৰশিক্ষকে এই আঁচনিৰ একোখন নকল ৰাখক।

**৪। শিক্ষাৰ সময়ত আগতে নিৰূপন কৰা অধ্যয়নৰ পুনৰ্নিৰীক্ষন কৰক।**

অধ্যয়নৰ পৰা কি শিকিলে প্ৰশিক্ষাৰ্থীক প্ৰশ্ন কৰক। আৰু সেই বিষয়ে তেওঁক কবলৈ দিয়ক।

যদিহে তেওঁ ভালদৰে পঢ়ি একোকে নিশিকিলে, তেন্তে তেওঁক পুনৰ পঢ়িবলৈ কওক। অন্য পাঠ অধ্যয়ন কৰিবলৈ নিদিয়ক, যেতিয়ালৈকে বৰ্ত্তমানৰ খিনি ভালদৰে নিশিকে।

কি অধ্যয়ন কৰিলে সেই বিষয়ে ছাত্ৰ-ছাত্ৰীক কবলৈ দিয়ক।

**৫। বৰ্ত্তমানৰ প্ৰয়োজনীয়তাৰ খাপ খুওৱাকৈ আৰু পৰিচৰ্য্যাৰ সুযোগ অনুযায়ী অধ্যয়নবোৰ নিৰূপন কৰক।**

একে বিষয়ৰ অধ্যয়ন আটাইবোৰ প্ৰশিক্ষাৰ্থীক নিদিব। নিজৰ জাকৰ প্ৰয়োজনত খাপ খুওৱাকৈ আৰু পৰিচৰ্য্যাৰ সুযোগ অনুযায়ী প্ৰতিজন প্ৰশিক্ষাৰ্থীক একোটাকৈ অধ্যয়নৰ বিষয় স্থিৰ কৰি দিয়ক।

একেবাৰে নতুন ছাত্ৰ-ছাত্ৰীক এবাৰত এটাহে অধ্যয়নৰ বিষয় দিব। অন্যথা অনেক দিনলৈ তেওঁলোকক আপুনি লগ নাপাব।

পৌল-তীমথিয়ৰ (নির্দ্দেশাৱলী ২) ব্যৱহাৰ কৰক।

## আপোনাৰ আঁচনি সম্পৰ্কে লিখক

প্ৰশিক্ষনৰ সময়ত কৰিবলৈ ৫ টা বিষয় অনুগ্ৰহ কৰি মনত ৰাখিব। সেইবোৰ তলত দিয়া খালি ঠাইত মুখস্থ লিখক ঃ

১। ______________________________

২। ______________________________

৩। ______________________________

৪। ______________________________

৫। ______________________________

প্ৰশিক্ষাৰ্থীসকলৰ বাবে কেনেকৈ পৌল-তীমথিয় অধ্যয়নৰ সজুঁলিবোৰ পাব?

# নিৰ্দ্দেশাৱলী ৯ ঃ পৌল-তীমথিয় অধ্যয়ন এনেদৰে ব্যৱহাৰ কৰক যিহে ততালিকে প্ৰয়োগ কৰাত দৃঢ়কৈ কয়


প্ৰত্যেক পৌল-তীমথিয় অধ্যয়নত নতুন চলাওঁতাৰ বাবে তিনিটা ভাগ আছে ঃ

১।বাইবেল অধ্যয়নৰ যোগেদি নিজকে প্ৰস্তুত কৰক।

২।অহা সপ্তাহত কৰিবলগীয়া কামৰ আঁচনি কৰক।

৩।বাইবেল অধ্যয়নৰ যোগেদি নিজকে প্ৰস্তুত কৰক।

**১। বাইবেল অধ্যয়নৰ যোগেদি নিজকে প্ৰস্তুত কৰক।**



আপুনি কি কৰিছে আৰু কেনেকৈ কৰিব তাৰ বাবে বাইবেল শাস্ত্ৰক আপোনাৰ পৰিচালক ৰূপে ব্যৱহাৰ কৰক।


কেৱল আপোনাৰ শিক্ষাৰ সন্তোষ্টিৰ মূল বুলি নহয়, আপুনি কিদৰে শিকাব, শুভবাৰ্ত্তা প্ৰচাৰ কৰিব, সংগঠিত কৰিব আৰু উপাসনা কৰিব ইয়াৰ পৰিচালক ৰূপেও ঈশ্বৰৰ বাক্য ব্যৱহাৰ কৰক।

ঈশ্বৰৰ বাক্যত বিচাৰি পাবলৈ প্ৰত্যেক অধ্যয়নত বিষয়বোৰৰ একোখন তালিকা ভুক্ত কৰা আছে। পিছৰ উপাসনাৰ সময়ত সেই বিষয়বোৰ আপুনি শিকাব পাৰিব, আৰু আপুনি বিচাৰিবলৈ কোৱা বস্তুবোৰৰ বিষয়ে প্ৰশ্ন কৰক।

**২। অহা সপ্তাহত কৰিবলগীয়া কামৰ আঁচনি কৰক।**

আপুনি আৰু আন বিশ্বাসীসকলে সপ্তাহটোত ইচ্ছা অনুযায়ী কৰিবলগীয়া আন বহুতো বিষয় প্ৰত্যেক অধ্যয়নত একোখন তালিকাভুক্ত আছে। বৰ্ত্তমানৰ প্ৰয়োজন আৰু স্থানীয় সংস্কৃতিত খাপ খুউৱাকৈ কাম-কাজবোৰ বাচি লওক। বাকী বিষয়বোৰ বাদ দিয়ক।

সেই আঁচনিবোৰ উপাসনাৰ সময়ত ঘোষনা কৰক। তেওঁলোকৰ বিভিন্ন পৰিচৰ্য্যাৰ মাজেৰে আটাই বিশ্বাসীসকলক খ্ৰীষ্টৰ পৰিচৰ্য্যা কৰাত সক্ষম কৰক।




উপাসনা সময়ত দিয়া আপোনাৰ শিক্ষাই সেই কাম-কাজবোৰ কৰাত বিশ্বাসীসকলক প্ৰস্তুত কৰা উচিত। যদি কোনোজনে ব্যৱহাৰিক ৰূপে, ইয়াৰ কৰ্ত্তব্য অনুযায়ী ব্যৱহাৰ নকৰাকৈ শাস্ত্ৰীয় বচন শিকায়, তেনেহলে ঈশ্বৰৰ বাক্য তেওঁ অপব্যৱহাৰ কৰে। (যাকোব ১ঃ২২ ; ইফিচীয়া ২ঃ৮-১০; ২ তীমথিয় ৩ঃ১৬-১৭)।

আশীৰ্ব্বাদ দিবলৈ সপ্তাহটোত বিশ্বাসীসকলে কি কৰিব -- সহকৰ্ম্মীসকলৰ লগত আঁচনি কৰক ঃ

- এজনে আনজনৰ (গালাতীয়া ৫ঃ১৩)
- প্ৰত্যেক পৰিয়াল (ইফিচীয়া ৫ঃ২১-৩৩; ৬ঃ১-৪)
- তেওঁলোকৰ চাৰিওফালৰ সমাজ (মথি ৫ঃ১৩-১৪) আৰু
- আন মণ্ডলীবিলাক (পাঁচনিৰ কৰ্ম্ম ১৫ঃ৪১)

**৩। হবলগীয়া উপাসনা সময়ৰ আঁচনি প্ৰস্তুত কৰক।**

দলগত উপাসনা সময়ত, আৰু তেওঁলোকৰ আত্মিক বৰদান ব্যৱহাৰ কৰি এজনে আনজনৰ বৃদ্ধি কৰাত, আপোনাৰ প্ৰশিক্ষাৰ্থী সকল, ল'ৰা-ছোৱালী আটাইয়ে যোগ দিয়াত নিশ্চিত কৰক। বাইবেলৰ গল্পবোৰৰ নাটক পৰিবেশন কৰিবলৈ, তেওঁলোকে গীতমালাৰ পদ ও পদ্যবিলাক আবৃতি কৰিবলৈ, আৰু প্ৰশ্ন সুধিবলৈ পৌল-তীমথিয় অধ্যয়নে ল'ৰা-ছোৱালীক প্ৰস্তুত কৰে।

নতুন পৰিচাৰকৰ কানত চয়তানে ফুচ্‌ফুচায়, "আপোনাৰ দলটি নিচেই তাকৰ, সেয়ে আপুনি উচিত মতে আঁচনি কৰিব নালাগে।" পৰিচালকে অসমৰ্থ হয় যেতিয়া তেওঁ জাকক সৰ্ব্ব শক্তিমান ঈশ্বৰৰ আগলৈ চলাই নিয়ালৈ প্ৰস্তুত কৰাত অসমৰ্থ হয়।



**"আপোনাৰ দলটি নিচেই তাকৰীয়া, সেয়ে আপুনি উচিতমতে আঁচনি কৰাৰ প্ৰয়োজন নাই ! হা হা হা !"**

যেতিয়া পৌল-তীমথিয় অধ্যয়নে উপাসনাৰ অনেক কাম-কাজৰ বিষয়ে পৰামৰ্শ দিয়ে, তেতিয়া আপোনাক ও আপোনাৰ দলক লগা খিনিহে বাচি লব; বাকীখিনি বাদ দিব।

**আপোনাৰ আঁচনি সম্পৰ্কে লিখক**


আপোনাৰ প্ৰশিক্ষাৰ্থীৰ লগত কোনটো অধ্যয়ন আপুনি প্ৰথমে বাচি ললে ?

হবলগীয়া উপাসনা সময়ৰ কাৰণে আপুনি কি আঁচনি তৈয়াৰ কৰিলে ?

হবলগীয়া উপাসনা সময়ৰ কাৰণে আপোনাৰ প্ৰশিক্ষাৰ্থী সকলে কি আঁচনি তৈয়াৰ কৰিছে ?

## নিৰ্দ্দেশাৱলী ১০ ঃ শিকোৱা পদ্ধতি পৰিবৰ্ত্তন কৰাত প্ৰশিক্ষাৰ্থীসকলক সহায় কৰক

যীচু আৰু তেওঁৰ পাঁচনিবিলাকে অনেক প্ৰকাৰৰ শিক্ষা দিয়া নিয়ম ব্যৱহাৰ কৰিছিল। যিকোনো প্ৰকাৰে আটাইয়ে ইয়াত ভাগ লবলৈ পৌলে জোৰ দি কৈছিল। ১ কৰিন্থীয়া ১৪ঃ২৬ পদত কৈছে, ...যেতিয়া তোমালোকে গোট খোৱা, তেতিয়া কোনো জনৰ গীত, কোনো জনৰ উপদেশ, কোনো জনৰ প্ৰকাশিত বাক্য, কোনো জনৰ পৰভাষা, কোনো জনৰ তাৰ অৰ্থ প্ৰকাশ কৰা কথা আছে। ধৰ্ম্মত বৃদ্ধিত কৰিবলৈ, সকলো কৰা হওক।" এনে ধৰণে কাৰ্য্যকৰী ভাবে অংশ লোৱাৰ দ্বাৰাই পবিত্ৰ আত্মাই অধিক শক্তিশালী ভাবে কাৰ্য্য কৰে। পৌল-তীমথিয় অধ্যয়নে উপাসনা সময়ৰ নিমিত্তে অনেক প্ৰকাৰৰ শিকিবলগীয়া কাম-কাজৰ ব্যখ্যা কৰে।



চকীবিলাক বৃত্তকাৰে অথবা আধা বৃত্তকাৰে থওক, যাতে যেন প্ৰতিজনে ইজনে সিজনক দেখা পায়।

প্ৰশ্ন কৰিলেহে মানুহে অধিক শিকে আৰু উত্তৰবোৰো মুকলি

মূৰীয়াকৈ  আলোচনা কৰিবলৈ কওক।

এজন বা দুজন ব্যক্তিক কেৱল কথা কৈ থাকিবলৈ নিদিব। এনেকৈ সহাঁৰি জনাওক ঃ "বাৰু, এতিয়া, কথা নোকোৱা জনৰ পৰা আমি শুনোহঁক আহক। তেওঁলোকৰ মনোভাব ব্যক্ত কৰা, উদাহৰণ দিয়া অথবা প্ৰশ্ন কৰা -- আদি কৰি প্ৰতিজনে কোৱা আমি ইচ্ছা কৰোঁ।"

লাজকুৰীয়া জনক বিবুদ্ধিত পেলাব নালাগে। যদিহে তেওঁলোক নীৰৱে থাকিব খোজে, তেনেহলে সেইদৰে থাকক।



সৰু গোটত কেৱল বক্ততা দি থকাৰ পৰা বিৰত থাকক। বক্ততা দিয়াৰ নিমিত্তে অভিজ্ঞতা আৰু এক বৃহৎ দলৰ প্ৰয়োজন। যেতিয়া নতুন পৰিচাৰক সকলে উপদেশ দিয়ে, সাধাৰণতে যদিহে তেওঁ যুৱক হয়, তেওঁলোক প্ৰায়ে অহংকাৰত বুৰ যায়। তেওঁলোকে ধম্‌কি দিয়ে, আকোঁৰগোজ হয় আৰু নিৰ্ব্বোধ নিয়মবিলাক তৈয়াৰ কৰে।

এক ফলদায়ক ভাৱে শাস্ত্ৰবাক্য শিকিবলৈ হ'লে, বাইবেল নাটকীয় ভাবত পঢ়িব লাগে। চেপ্‌হাৰ্ড ষ্টাডিজৰ অধিক অংশ আৰু চিল্ডৰেণ ষ্টাডিজৰ সকলো পাঠত, একোটাকৈ বাইবেলৰ কাহিনী দিয়া আছে যি নাটকীয় ভাবে পঢ়িব পাৰে অথবা নাট কৰিব পাৰে। বাইবেলৰ কাহিনীবোৰৰ কথা-বাৰ্ত্তা বিলাক সম্ভৱ হ'লে আনক পঢ়িবলৈ অথবা নাট কৰিবলৈ দিয়ক। উদাহৰণস্বৰূপে, এজন বৰ্ণনাকাৰীয়ে অপব্যয় পুত্ৰৰ কাহিনীটো (লূক ১৫ঃ১১-৩২) কোৱা কথাবোৰৰ বাহিৰে, পঢ়িব পাৰে। আনবিলাকক দেউতাক, সৰু পুতেক, ডাঙৰ পুতেক আৰু দাসৰ কথাবোৰ পঢ়িব দিয়ক।

মানুহবিলাকক চমু নাটক পৰিবেশন কৰিবলৈ দিয়ক। বাইবেলৰ সত্যতাবিলাক নাট ৰূপত দেখুৱালে মানুহবিলাকে ভালকৈ শিকিব পাৰে। আনকি তেওঁবিলাকে নিজে নাটকত অংশগ্ৰহণ কৰিলে আৰু ভালকৈ শিকে।

সাজ-পোছাক আৰু অধিক আখৰাৰ প্ৰয়োজনৰ বাবে বিশদভাৱে নাটবোৰ পৰিবেশন কৰিব নালাগে। এনে কৰিলে বাইবেলৰ সত্যতাতকৈ নাটখনৰ ফালে মানুহ আকৰ্ষিত হ'ব।

ভাওৱীয়াসকল বয়সীয়া অথবা ডাঙৰ ল'ৰা-ছোৱালী হ'লে, তেওঁলোকে ক'বলগীয়া কথাবোৰ মুখস্থ নকৰিলে ভাল, কেৱল কি ক'ব লাগে তাৰে এটা সাধাৰণ আভাস থাকিলেই হ'ব। উদাহৰণস্বৰূপে, অপব্যয়ৰ পুত্ৰ কাহিনীটো কওঁতে, বৰ্ণনাকাৰীজনে কাহিনীটো পঢ়িব অথবা সংক্ষেপে ক'লেই হ'ব। তেওঁ আৰু পিছত কয়, "অপব্যয় পুত্ৰই কি কৈছে শুনক।" পিছত অপব্যয় পুত্ৰই কি ক'ব লাগে সেইখিনি পঢ়িব নাইবা নিজৰ কথাৰে ক'ব। দুটা লৰা-ছোৱালীয়ে নোদোকা দামুৰি পোৱালিৰ ভাও ল'ব পাৰে। (সিহঁতক এখন কম্বলেৰে ঢাকি, লাহে লাহে দামুৰিৰ মাতেৰে যাবলৈ দিব)।

সকলো সময়তে উল্লেখ কৰা আটাইতকৈ প্ৰভাৱশালী শিক্ষা। সাগৰৰ পাৰত শিষ্যবিলাকক শিক্ষা দি, তেওঁৰ বাৰজন শিষ্যক লগত লৈ যীচু পৰ্বতৰ ওপৰলৈ উঠিল। য'ত কোনো ওখ ঠাই (Pulpit) অথবা চকী নাছিল। তেওঁ তাতে বহি শিষ্যবিলাকৰ লগত এক অন্তৰস্থ কথোপকথন হৈছিল, আৰু সেয়ে পৰ্বতৰ ওপৰত দিয়া উপদেশ নামে জনাজাত হৈছিল (মথি ৫-৭ অধ্যায়)।

**আপোনাৰ আঁচনি লিখক**

আপোনৰ জাকক ইয়াৰ পিছত লগ পাওঁতে কি শিকাবলৈ আপুনি আঁচনি কৰিছে?

---

---

পিছৰ উপাসনাৰ সময়ত, আপুনি কিদৰে শিক্ষা দিব, যাতে বিশ্বাসীসকল, আৰু ল'ৰা-ছোৱালীবিলাকেও, ঈশ্বৰৰ বাক্য পৰিবেশন কৰাত কাৰ্য্যকৰী ভাবে অংশ ল'ব পাৰে?

---

---

# নিৰ্দ্দেশাৱলী ১১ ঃ **বাইবেলৰ মতে নতুন পালকসকলক নিয়োগ কৰক**



নতুন পালকসকলক বাইবেলৰ মতে নিয়োগ কৰিবলৈ তেওঁলোকৰ ওপৰত হাত দিয়ক আৰু ঈশ্বৰৰ স্থায়ী ক্ষমতাৰ কাৰণে প্ৰাৰ্থনা কৰক।

১ তীমথিয় ৩ঃ১-৭ পদত উল্লেখ কৰা বৃদ্ধলোকসকলৰ দৰে গুণ হোৱা উচিত, আৰু তেওঁলোক নকৈ খ্ৰীষ্টক গ্ৰহণ কৰা লোক হ'ব নালাগে। তেওঁলোকক স্থায়ী জাকক চলোৱা বৃদ্ধলোক বুলি নিয়োগ কৰাৰ আগেয়ে প্ৰমাণিত হোৱা উচিত।



কিছুমান মণ্ডলীবিলাকে জাকক চলোৱা যুৱক বোলা হয় যিবিলাকে বাইবেল কলেজত ঈশ্বৰ তত্ত্ব বিষয়ক জ্ঞান আহৰণ কৰে, কিন্তু প্ৰমাণিত নহয় আৰু বাইবেল শাস্ত্ৰত কোৱাৰ দৰে সমাজত আদৰ নাপায়।

বেয়া ফলবোৰ উৎপন্ন হয় যেতিয়া মানুহে, মানুহে-বিচৰা বিষয়বোৰ যোগ দিয়ে। এই দুয়োটা ভুলেই ঈশ্বৰৰ লোকবিলাকলৈ বিপত্তি আনে।

নতুন চলাওঁতাসকলক প্ৰশিক্ষণ দিয়ক, যদিও বাইবেলে বিচৰা ৰীতিমত হাত দি নিয়োগ কৰা নহয়, কাৰণ কিবা এক প্ৰকাৰৰ প্ৰশিক্ষণ দিয়া প্ৰয়োজনত তেওঁলোকে কেতিয়াও পাব নোৱাৰে। অধিক অভিজ্ঞতাসম্পন্ন চলাওঁতা এজনৰ তদাৰকত, এনে প্ৰশিক্ষণপ্ৰাপ্ত চলাওঁতা সকলে নিজৰ পৰিয়ালক, আৰু নকৈ অহা সৰু গোটবোৰক অথবা নতুন মণ্ডলিবিলাকত যোগ দিয়া নতুন বিশ্বাসী সকলক চলাব পাৰে। উপযুক্ত নোহোৱালৈকে, এনে ক্ষমতাপন্ন বৃদ্ধলোকক যথাবিধি মতে স্বীকৃতি দিয়া অনুচিত, কিন্তু সাধাৰণ, অস্থায়ী পালকৰূপে কাৰ্য্য কৰিব দিব লাগে।

**আপোনাৰ আঁচনি লিখক**

আপুনি প্ৰশিক্ষণ দিয়া নতুন পালকসকলৰ কোনে ৰীতিমতে নিয়োজিত হোৱাত প্ৰস্তুত হ'ব পাৰে?

Copyright © 2003 by Paul-Timothy. Download Paul-Timothy studies freely from www.Paul-Timothy.net.